# A FIELD STUDY
# ON SOCIO-ECONOMIC ADJUSTMENT IN PACHIMBASTI GAROGAON OF SIVASAGAR DISTRICT

A FIELD STUDY REPORT SUBMITTED TO THE DEPARTMENT OF EDUCATION, H.C.D.G COLLEGE, NITAIPUKHURI, SIVASAGAR FOR THE PARTIAL FULFILMENT OF THE REQUIREMENT OF B.A 6TH SEMESTER (COURSE-602) EXAMINATION, 2018 UNDER DIBRUGARH UNIVERSITY.


Submitted by

Miss Prastuti Dutta


2⁄4⁄18

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ ষষ্ঠ ষান্মাষিকৰ সন্মান বিষয়ৰ দ্বাদশ কাকতৰ (৬০২) অর্ন্তভুক্ত ক্ষেত্ৰ ভিত্তিক প্রতিবেদন।

বিষয় ঃ শিৱসাগৰ জিলাৰ পশ্চিমবস্তি গাৰোগাঁৱৰ আৰ্থসামাজিক সমাযোজন সৰ্ম্পকে এক ক্ষেত্ৰভিত্তিক অধ্যয়ন ২০১৭-১৮ বর্ষ।

প্রস্তুতকর্তা ঃ

নাম ঃ শ্ৰী মতী অঙ্কিতা দত্ত ।

শ্ৰেণী ঃ স্নাতক ষষ্ঠ ষাণ্মাসিক ।

ৰোল নং ঃ 20720050

ৰেজিষ্টাৰ নং ঃ 81518334

তত্বাবধায়ক

**ড° ৰশ্মিৰেখা দুৱৰা**

শিক্ষা বিভাগ

হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়

নিতাইপুখুৰী, শিৱসাগৰ

HoD Education

# 'শিৱসাগৰ জিলাৰ পশ্চিমবস্তি গাৰো গাঁৱৰ আৰ্থসামাজিক সমাযোজন' সম্পৰ্কে এক ক্ষেত্ৰভিত্তিক অধ্যয়ন।

(স্নাতক উপাধিৰ বাবে প্ৰেৰিত প্ৰতিবেদন)

২০১৭-২০১৮ বৰ্ষ

## প্ৰস্তুতকৰ্তা

নাম : শ্ৰীমতী অপ্ৰতি দত্ত।

শ্ৰেণী : স্নাতক ষষ্ঠ ষাণ্মাসিক।

ৰোল নং : 20710050

পঞ্জীয়ন নং : S1518334

## তত্বাৱধায়ক

নাম : ড° ৰশ্মি ৰেখা দুৱৰা


শিক্ষাতত্ব বিভাগ
হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়
নিতাইপুখুৰী।


HoD

# প্ৰমাণ পত্ৰ

'শিৱসাগৰ জিলাৰ পশ্চিমবস্তি গাৰো গাঁৱৰ আৰ্থসামাজিক সমাযোজন' সম্পৰ্কে এক ক্ষেত্ৰভিত্তিক অধ্যয়ন মোৰ তত্বাৱধানত শিক্ষা বিভাগৰ ষষ্ঠ যান্মাসিক ছাত্ৰ/ছাত্ৰী ....প্ৰস্তুতি দত্ত.... য়ে সম্পন্ন কৰে আৰু ~~একাদশ~~ 1602 কাকতৰ ~~দ্বিতীয় খণ্ডৰ~~ উপযোগীকৈ প্ৰস্তুত কৰি শিক্ষা বিভাগত স্নাতক উপাধিৰ বাবে দাখিল কৰে।

এই প্ৰতিবেদন বিশেষজ্ঞ পৰীক্ষকলৈ মূল্যায়নৰ বাবে আগবঢ়োৱা হ'ল।

Dipali Borah
(Dipali Borah)
বিভাগীয় মুৰবী
শিক্ষা বিভাগ

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

# প্ৰমাণ পত্ৰ

"মহিলা সাক্ষৰতা' সম্পৰ্কে এক ক্ষেত্ৰভিত্তিক অধ্যয়ন মোৰ তত্ত্বাৱধানত শিক্ষা বিভাগৰ ষষ্ঠ যান্মাষিকৰ ছাত্ৰ-ছাত্ৰী শ্ৰী প্ৰস্তুতি দত্ত য়ে সম্পন্ন কৰে আৰু এই অধ্যয়নৰ (দ্বাদশ কাকত - ৬০২) উপযোগীকৈ প্ৰস্তুত কৰি শিক্ষা বিভাগৰ স্নাতক এক প্ৰতিবেদন উপাধিৰ বাবে দাখিল কৰে।

এই প্ৰতিবেদন বিশেষজ্ঞ পৰীক্ষকলৈ মূল্যায়নৰ বাবে আগবঢ়োৱা হ'ল।

তত্ত্বাৱধায়ক

শিক্ষা বিভাগ

HCDG COLLEGE
Department of Education
NITAIPUKHURI

# ঘোষণা পত্ৰ

শিৱসাগৰ জিলাৰ পশ্চিমবস্তি গাৰো গাঁৱৰ আৰ্থসামাজিক সমাযোজন সম্পৰ্কে কৰা অধ্যয়নটো মোৰ নিজা অভিজ্ঞতা নিৰ্ধাৰিত বিষয়টোৰ ওপৰত নিৰ্বাচিত ক্ষেত্ৰলৈ গৈ নিজা ভাৱে সংগ্ৰহ কৰা তথ্য সামগ্ৰীৰ ওপৰত নিৰ্ভৰ কৰি এই প্ৰতিবেদন প্ৰস্তুত কৰা হৈছে আৰু শিক্ষাবিভাগলৈ স্নাতক উপাধিৰ বাবে আগবঢ়োৱা হ'ল।

শ্ৰীমতী প্ৰস্তুতি দত্ত।

অনুসন্ধানকাৰী ছাত্ৰ/ছাত্ৰীৰ চহী

HoD

# কৃতজ্ঞতা পত্ৰ

পোন প্ৰথমে এই অধ্যয়নত মোক বিভিন্ন দিশত সহায় কৰা শিক্ষা বিভাগৰ মূৰব্বী অধ্যাপিকা শ্ৰদ্ধাৰ শ্ৰীযুক্তা দীপালী গগৈ বাইদেউক আন্তৰিক সেৱা জনাইছো।

মহাবিদ্যালয়ৰ অধ্যক্ষৰ লগতে শিক্ষা বিভাগৰ অধ্যাপিকা সকললৈও আগবঢ়াইছো মোৰ কৃতজ্ঞতা।

এই অধ্যয়নৰ নমুনাৰূপী পশ্চিমবস্তি গাৰো গাঁৱৰ লোকসকলক আৰু তেওঁলোকৰ গাঁৱৰ 'নোকমা' (গাওঁবুঢ়া) জনে বিভিন্ন তথ্য প্ৰদান কৰি সহায় আগবঢ়োৱাৰ বাবে তেওঁলোকৰ শলাগ লৈছো।

এই প্ৰতিবেদন প্ৰস্তুত কৰোতে যিসকল ব্যক্তিয়ে সহায় সহযোগিতা আগবঢ়ালে তেখেত সকলকো যাঁচিলো মোৰ সশ্ৰদ্ধ প্ৰণিপাত।

শ্ৰীমতী [signature] দত্ত।
অনুসন্ধানকাৰী

[signature]
HoD

ক্ষেত্ৰভিত্তিক অধ্যয়নৰ বিষয়সূচীসমূহ তলত উল্লেখ কৰা হ'ল-

**ঃ বিষয়সূচী ঃ**


১। (i) প্ৰমাণ পত্ৰ
(ii)প্ৰমাণ পত্ৰ
২। ঘোষণা পত্ৰ
৩। কৃতজ্ঞতা পত্ৰ
৪। তালিকা সূচী


**ঃ প্ৰধান শিতান ঃ**

পৃষ্ঠা নং


১। শিৰোনাম
২। লক্ষ্য/উদ্দেশ্য
৩। অধ্যয়নৰ পটভূমি
৪। বিৱৰণ
৫। অধ্যয়নৰ পদ্ধতি
৬। সমল সংগ্ৰহৰ পদ্ধতি
৭। অধ্যয়নৰ সীমাবদ্ধতা
৮। অধ্যয়নৰ ফলাফল
৯। সামৰণি
১০। সহায়ক গ্ৰন্থপঞ্জী
১১। আলোকচিত্ৰ
১২। প্ৰশ্নসূচী


HoD

১. **শিৰোনাম :-** শিৱসাগৰ জিলাৰ পশ্চিমবৰ্তী গাৰোগাঁৱৰ আৰ্থসামাজিক সমাযোজন সম্পৰ্কে এক ক্ষেত্ৰভিত্তিক অধ্যয়ন ।

২. **লক্ষ্য বা উদ্দেশ্য :-** ~~ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ পাঠ্যক্ৰমৰ অন্তৰ্গত স্নাতক ষষ্ঠ ষাণ্মাসিকৰ~~ ক্ষেত্ৰভিত্তিক অধ্যয়নৰ লক্ষ্য বা উদ্দেশ্য সম্পৰ্কে তলত উল্লেখ কৰা হ'ল —

(ক) শিৱসাগৰ জিলাৰ পশ্চিমবৰ্তী গাৰোগাঁৱৰ লোকসকলক সামাজিক সমাযোজনৰ ক্ষেত্ৰত শিক্ষাই কেনেদৰে প্ৰভাৱ পেলাইছে তাৰ ওপৰত এক ক্ষেত্ৰভিত্তিক অধ্যয়ন আগবঢ়োৱা।

(খ) পশ্চিমবৰ্তী গাৰোগাঁৱৰ লোকসকলৰ অৰ্থনৈতিক বিকাশত শিক্ষাই কেনেধৰণেৰে অৰিহণা যোগাইছে তাৰ ওপৰত এক ক্ষেত্ৰভিত্তিক অধ্যয়ন আগবঢ়োৱা।

(গ) আধুনিক শিক্ষা লাভৰ জৰিয়তে পশ্চিমবৰ্তী গাৰোগাঁৱৰ লোকসকল কেনেধৰণেৰে উপকৃত হৈছে সেই বিষয়ে অধি [illegible] বা।

৩. **অধ্যয়নৰ পটভূমি :-**

ভাৰতবৰ্ষৰ উত্তৰ পূৰ্বাঞ্চল বিভিন্ন জাতি-জনজাতিৰ সংগমস্থলী। এই অঞ্চলত বিভিন্ন জনগোষ্ঠীৰ ভাষা-কৃষ্টিৰ আধুনিক জীৱন ধাৰাই মানুহীমনিক বিচিত্ৰতা প্ৰদান কৰাৰ লগতে জনসংস্কৃতি বৰ্ণাঢ্য কৰি তুলিছে। উত্তৰ-পূব ভাৰতত বসবাস কৰা এটা অন্যতম জনজাতি হৈছে- মংগোলীয় প্ৰজাতিৰ গাৰোসকল। এই জনজাতীয় লোকসকলৰ প্ৰধান বাসভূমি হৈছে -মেঘালয় ৰাজ্য। অসমত বসবাস

কৰা মুষ্টিমেয় সংখ্যক গাৰোলোকে শিৱসাগৰ, ডিব্ৰুগড়, দৰং, তিনিচুকীয়া লাহাৰ আদি জিলাৰ কেইখনমান গাঁৱত বসবাস কৰি আছে। শিৱসাগৰ জিলাতে শিমলুগুৰি নামৰ এখন গাৰো গাঁও আছে। এই গাঁওসমূহৰ আৰ্থ-সামাজিক ব্যৱস্থা অসমৰ অন্য জনগোষ্ঠীয় লোকসকলৰ দৰে সম্পূৰ্ণ সুকীয়া। গাঁওসমূহৰ মাতৃপ্ৰধান সমাজ-ব্যৱস্থা, মাহাৰী ব্যৱস্থা, নোকমা আদি বিভিন্ন ৰীতি-নীতিৰ প্ৰচলন আছে। বৰ্তমান গাঁওসমূহত পূৰ্বৰ ৰীতি-নীতিৰ প্ৰচলন কমি অহা দেখা পোৱা গৈছে।

এখন গাঁৱৰ আৰ্থ-সামাজিক উন্নয়নত শিক্ষাই অদ্বিতীয়পূৰ্ণ বৰঙণি যোগাই আহিছে। শিক্ষাৰ জৰিয়তে বিভিন্ন জাতি-জন-জাতিৰ মাজত সমন্বয় সাধন ঘটি একতাৰ বান্ধোনেৰে বান্ধ খাই পৰিছে। ভাৰতবৰ্ষ এখন বাৰে-বৰণীয়া বৈচিত্ৰপূৰ্ণ মিলনভূমি। ইয়াত নানা জাতি-জনজাতি একেলগে বসবাস কৰি ঐক্যভাৱে সাৰ্থক খাই আছে। এই জাতি-উপজাতিসমূহৰ প্ৰত্যেকৰে নিজা ভাষা, কৃষ্টি, সংস্কৃতি, পৰম্পৰা আছে আৰু এইসমূহক ৰক্ষা কৰি আহিছে। ভাৰতবৰ্ষ এখন বহুভাষিক-বহুজাতিক দেশ। বহুজাতিক লোকসকলৰ ভিতৰত এটা অন্যতম জাতি হৈছে- গাৰোসকল। ভাৰতবৰ্ষৰ এই বহুভাষিক-বহুজাতিক লোকসকলৰ মাজত সমন্বয় সাধনত শিক্ষাই উল্লেখযোগ্য বৰঙণি যোগাই আহিছে। শিক্ষাৰ প্ৰসাৰ আৰু প্ৰচাৰে এখন দেশৰ আৰ্থ-সামাজিক দিশটো উন্নীতশীল হোৱাত যথেষ্ট পৰিমাণে সহায় কৰে। শিক্ষা লাভৰ জৰিয়তে এটা জাতিয়ে আন এটা জাতিৰ কৃষ্টি-সংস্কৃতিৰ আদৰ বহন কৰে আৰু তেওঁলোকৰ মাজত সমন্বয় ঘটায় সামাজিক ভাৱে সমাযোজন কৰাত সহায়ক হয়। সেয়ে সকলো লোকক শিক্ষা লাভৰ প্ৰতি আগ্ৰহী কৰি তুলিব লাগে। শিক্ষা লাভৰ জৰিয়তে আগে লোকসকল আৰ্থিকভাৱে স্বাৱলম্বী হ'ব পাৰে আৰু

সামাজিকভাৱে সমাযোজিত হব পাৰে তাৰ প্ৰতি বিশেষ লক্ষ্য ৰখা হৈছে।

**৪. বিৱৰণঃ-** শিৱসাগৰ জিলাৰ পশ্চিমবাৰী শ্যামগাঁৱৰ আৰ্থসামাজিক সমাযোজন সম্পৰ্কে এক ক্ষেত্ৰভিত্তিক অধ্যয়ন চলোৱা হব।

শ্যামসকলৰ প্ৰধান বাসভূমি মেঘালয় ৰাজ্য যদিও অসমত খুটিমেয় সংখ্যক শ্যাম লোকে বসবাস কৰে। অসমৰ শিৱসাগৰ জিলাতো শ্যামসকলে বসবাস কৰি আছে। অসমৰ ঐতিহাসিক প্ৰসিদ্ধ জিলা শিৱসাগৰ। এই জিলাখনত বিভিন্ন জাতি-জনজাতিৰ লোকে বসবাস কৰে। জিলাখনৰ এটা বৃহৎ সমষ্টিৰ নাম হৈছে- মাওৰা সমষ্টি। শিৱসাগৰ জিলাৰ মাওৰা সমষ্টিৰ ভিতৰৰে একমাত্ৰ শ্যামগাঁওখন হ'ল- পশ্চিমবাৰী শ্যামগাঁও। গাঁওখন বকতা মৌজাৰ ভিতৰত পৰে। গাঁওখনৰ ভৌগোলিক অৱস্থিতি হ'ল - শিৱসাগৰ আৰু চিৰাং জিলাৰ সংগমস্থল মৰাণৰ সমীপবৰ্তী ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথৰ কাষৰীয়া চেনেং তিনিআলিৰ পৰা পূব দিশত ঐতিহাসিক হলঙীৰ আলি বা চেনেং চুলপোৱা আলি। এই চেনেং তিনি আলিৰ পৰা দক্ষিণ দিশে ৫ কি.মি. আগবাঢ়ি গলে হলঙীৰ তিনিআলি আৰু ইয়াৰ পৰা পশ্চিম দিশেৰে প্ৰায় আধা কি.মি. আগুৱাই গলেই পথৰ দুয়োকাষে দেখিবলৈ পোৱা যায় শ্যাম জনজাতিৰ লোকসকলৰ বাসভূমি পশ্চিমবাৰী শ্যামগাঁও। বৰ্তমান প্ৰায় পোন্ধৰঘৰ শ্যাম লোকেৰে সমৃদ্ধ শ্যাম গাঁৱৰ মানুহখিনি বৌদ্ধধৰ্মী।

**৫. অধ্যয়নৰ পদ্ধতিঃ-** শিৱসাগৰ জিলাৰ পশ্চিমবাৰী শ্যামগাঁৱৰ আৰ্থসামাজিক সমাযোজন সম্পৰ্কে কৰা ক্ষেত্ৰভিত্তিক অধ্যয়নৰ জৰীপ পদ্ধতি ব্যৱহাৰ কৰা হৈছে। আলোচনা পত্ৰখন প্ৰস্তুত কৰাৰ ক্ষেত্ৰত বৰ্ণনাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে।

**তথ্য সংগ্ৰহৰ পদ্ধতিঃ-** প্ৰস্তাবিত বিষয়টি অধ্যয়ন কৰিবৰ বাবে শ্যাম গাঁৱত উপস্থিত হৈ প্ৰাথমিক তথ্য সংগ্ৰহ কৰি অনা হৈছে। ইয়াৰ অধ্যয়নত অধ্যয়নকাৰীয়ে নিজে প্ৰস্তুত কৰা প্ৰশ্নসূচী

Gopi HoD P.T.O

ব্যৱহাৰ কৰা হৈছে। প্ৰশ্নসূচীসমূহ গাঁৱৰ নমুনা দলৰ ওপৰত প্ৰয়োগ কৰা হৈছে।

উক্ত অধ্যয়নত পশ্চিমবঙ্গ পাবোগাঁৱত মুঠ জনসংখ্যা ৮৭০ পৰিয়াল পোৱা গৈছে। তাৰে ৩০ পৰিয়াল ব্যক্তিক নমুনা দল হিচাপে লৈ উক্ত অধ্যয়নটি কৰা হৈছে। তথ্য আহৰণৰ ক্ষেত্ৰ হিচাপে শিৱসাগৰ জিলাৰ পশ্চিমবঙ্গ পাবো গাঁওসমূহ নিৰ্বাচন কৰা হৈছে। অধ্যয়নত ব্যৱহৃত আটাইবোৰ সমল ব্যক্তি সকলক প্ৰত্যক্ষভাৱে যোগাযোগ কৰি আহৰণ কৰা হৈছে। তথ্য আহৰণৰ সমল হিচাপে অসংৰচিত সাক্ষাৎকাৰ পদ্ধতিৰো সহায় লোৱা হৈছে।

## ৭. অধ্যয়নৰ সীমাবদ্ধতা :-

কোনো এটা অধ্যয়ন সদায় প্ৰতিনিধিত্বমূলক হ'ব লাগে। কাৰণ অধ্যয়নৰ পৰিধি অতি বিশাল হ'লে তাক সামৰি একগোট কৰি এটা স্থিৰ আৰু শুদ্ধ এটা সিদ্ধান্ত যুক্তি কৰাটো সম্ভৱপৰ নহয়। সেয়েহে নিৰ্বাচিত (অধ্য)য়নৰ সীমাবদ্ধতা সমূহ তলত দিয়া ধৰণৰ —

(ক) শিৱসাগৰ জিলাৰ পশ্চিমবঙ্গ পাবোগাঁৱৰ সমাজ ব্যৱস্থা সম্পৰ্কে আৰু তেওঁলোকৰ সামাজিক ৰীতি-নীতি-পৰম্পৰা আদিৰ বিষয়ে অধ্যয়ন কৰা।

(খ) গাঁওসমূহৰ অৰ্থনৈতিক দিশটোৰ বিষয়ে অধ্যয়ন কৰা।

(গ) গাঁওসমূহৰ আৰ্থ-সামাজিক দিশত শিক্ষাৰ প্ৰভাৱ সম্পৰ্কে অধ্যয়ন চলোৱা।

## ৮. অধ্যয়নৰ ফলাফল :-

শিৱসাগৰ জিলাৰ পশ্চিমবঙ্গ পাবো গাঁৱৰ লোকৰ পৰা প্ৰশ্নসূচীৰ সহায়ত তথ্য সংগ্ৰহ . তথ্য বিশ্লেষণৰ জৰিয়তে অধ্যয়নৰ ফলাফল নিৰ্ণয় কৰিবৰ বাবে লক্ষ্য আৰু উদ্দেশ্যবোৰক মূল দিশ হিচাপে বিবেচনা কৰি অধ্যয়নৰ তথ্য বিশ্লেষণ কৰা হৈছে। গাঁৱৰ সকলো মূলত: মাহপ্ৰধান আৰু তেওঁলোকৰ বৈবাহিক মৰ্যাদাৰ ওপৰত ভিত্তি কৰি শ্ৰেণীকৰণ কৰা হৈছে। নমুনাৰূপী লোকসকলৰ বাবে প্ৰস্তুত কৰা প্ৰশ্নসূচীসমূহত বিভিন্ন দিশৰ ওপৰত প্ৰশ্ন দিয়া হৈছে। প্ৰতিটো প্ৰশ্নৰ

HoD P.T.O

প্ৰতিটো প্ৰশ্নৰ পৰিমাপন কৰি তথ্যৰ অৰ্থবহ ব্যাখ্যা কৰা হৈছে। তথ্যৰ অৰ্থবহ ব্যাখ্যাকৰণৰ ওপৰত ভিত্তি কৰি অধ্যয়নৰ ফলাফল নিৰ্ণয়কৰণ কৰা হৈছে।

## ৮. গাৰোসকলৰ সমাজ ব্যৱস্থা :—

এখন সমাজৰ গাঁথনিৰ পৰিপ্ৰেক্ষিতত সামাজিক সম্বন্ধৰ কথা আহি পৰে। সমাজ এখনৰ গাঁথনিৰ ভেটিকা প্ৰত্যেকৰে সহযোগিতাৰ প্ৰয়োজন। এখন সমাজৰ গাঁথনিত নীতি-নিয়ম, ধৰ্মীয় বিশ্বাস, আচাৰ-আচৰণ, কৃষ্টি-সংস্কৃতি আদিয়ে সহায় কৰে। গাৰোসকলৰ সামাজিক বিশিষ্টতা আছে। গাঁওখনত প্ৰৱেশ কৰিয়েই আমি এটা সুন্দৰ, শান্ত, নিৰিবিলি পৰিৱেশ দেখিবলৈ পাইছিলো। গাৰোসকল মূলত মাতৃপ্ৰধান। মাতৃপ্ৰধানেই তেওঁলোকক এটা বিশিষ্ট ৰূপ দিছে। গাৰো সমাজ মাতৃপ্ৰধান হলেও তিৰোতাৰ স্থান পুৰুষৰ ওপৰত নহয়। পুৰুষৰ সমানে কাম-বন কৰিব লগা তিৰোতা সকল সম্পত্তিৰ অধিকাৰী হলেও পুৰুষজনেহে সম্পত্তি চলায়। বংশ গণনা গাৰোসকলৰ এটা গুৰুত্বপূৰ্ণ দিশ। তেওঁলোকে মাকৰ ফালৰ পৰা বংশগণনা কৰে। মাক যি গোত্ৰৰ হয় সন্তানো সেই গোত্ৰৰে হয়। বিয়াৰ পিছত লৰা ছোৱালীৰ ঘৰলৈ যায় আৰু ছোৱালীৰ পৰিয়ালৰ লগত বসবাস কৰে। বৰ্তমান সময়ৰ পৰিৱৰ্তনৰ লগতে গাৰোসকলৰ সমাজ জীৱন কিছু পৰিমাণে পৰিৱৰ্তন হোৱা দেখা পাইছিলো। কিছুসংখ্যক পৰিয়ালত বিবাহৰ ক্ষেত্ৰত লৰাইয়ো ছোৱালী অনা দেখা পোৱা গৈছিল। আনকি অন্য সম্প্ৰদায়ৰ ছোৱালীও তেওঁলোকৰ পৰিয়াললৈ বিয়া কৰাই অনা দেখিবলৈ পাইছিলো।

পশ্চিমবস্তি গাৰোসকলৰ মাজত মাতৃপ্ৰধান পৰিয়াল ব্যৱস্থা দেখা যায়। সমাজ মানেই প্ৰথা-পৰম্পৰাৰ সমষ্টি। তেওঁলোকৰ মাজত মাতৃপ্ৰধান পৰিয়াল পৰিকল্পনা মানি চলা দেখা যায়। তেওঁলোকৰ সন্তান-সন্ততিয়ে মাকৰ উপাধি লিখাৰ নিয়ম। অৱশ্যে অনা গাৰো লোকৰ সৈতে বিবাহ সম্পন্ন হলে এই নিয়মৰ ব্যতিক্ৰম ঘটে। তেওঁলোকৰ মাজত নাৰীয়ে পুৰুষক বিয়া কৰাই অনা প্ৰথা অতীতৰে পৰা প্ৰচলিত। অৰ্থাৎ

Signature HoD

P.T.O

ঘৰ-জোঁৱাই থকা প্ৰথা প্ৰচলিত দেখা যায়। বৰ্তমান ঘৰ-জোঁৱাই প্ৰথাটো হিচাপে শিক্ষিত হোৱা যুৱক সকলৰ মাজত কম পৰিমাণেহে গাঁওখনত দেখা পোৱা গৈছিল। গাৰো সমাজত ধন-সম্পত্তিৰ উত্তৰাধিকাৰী ঘৰৰ সৰু ছোৱালীজনী হয়।

গাৰোসকলৰ সামাজিক জীৱনত বিভিন্ন প্ৰথা আৰু ব্যৱস্থা অতীজৰে পৰা প্ৰচলিত হৈ আহিছে আৰু বৰ্তমানেও এই ব্যৱস্থাসমূহ মানি চলা দেখা যায়। গাৰো সমাজত তেওঁলোকৰ সামাজিক জীৱনত শাসনৰ বৌলিকা শাসনৰ একক একো-একোটা মাহাৰী থাকে। গাঁওখনৰ আয়বোৰ সামাজিক দিশ তেওঁ চোৱা-চিতা কৰে।

২.০১ নোকমা :- (গাঁওবুঢ়া)

গাৰোসকলৰ নোকমা হ'ল গাঁওখনৰ মুৰব্বী বা মুখীয়াল ব্যক্তি। তেওঁলোকৰ শাসন ব্যৱস্থাত 'নোকমা' আৰু গাঁও পঞ্চায়তেই প্ৰধান। শিৱসাগৰ জিলাৰ পশ্চিমবস্তি গাঁওখনৰ শাসন ব্যৱস্থা নিমজটো মন কৰিবলগীয়া। গাঁওখনৰ মানুহখিনি বৰ সহজ-সৰল হোৱাৰ লগতে তেওঁলোকৰ মাজত যথেষ্ট মিলা-প্ৰীতি ভাব পৰিলক্ষিত হয়। সহজ-সৰলতাই তেওঁলোকৰ মানসিকতাত শান্তি বিৰাজ কৰি থাকে। পশ্চিমবস্তি গাঁওখনত মাহাৰী ব্যৱস্থা আছে। সেই ব্যৱস্থা পৰম্পৰা অনুসৰি মানি চলি আহিছে।

গাৰোসকল তেওঁলোকৰ নিজৰ স্বকীয়তা বজাই ৰখা জনজাতি। পশ্চিমবস্তিৰ মানুহখিনিয়ে পূৰ্বৰ নিয়ম এৰি খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰাৰ কাৰণে তেওঁলোকৰ বিচাৰ প্ৰায় গীৰ্জা ঘৰত হয়। এই গাঁওখনত অপৰাধমূলক ঘটনা প্ৰায় নহয়। তেওঁলোকে অপৰাধ কৰাটো পাপ বুলি গণ্য কৰে।

২.০২ বিবাহ প্ৰথা :-

বিবাহ এক সামাজিক বান্ধোন। বিবাহৰ যোগেদিয়েই নাৰী-পুৰুষে একেলগে বসবাস কৰাৰ সামাজিক স্বীকৃতি লাভ কৰে। ভাৰতবৰ্ষৰ জনজাতিসকলৰ মাজত বিভিন্নধৰণৰ বিবাহৰ প্ৰচলন আছে।

HoD

গাৰোসকলে বৈবাহিক ৰীতি-নীতি পৰম্পৰাগতভাৱে মানি চলা দেখা যায়। পশ্চিমবৰ্তী গাৰোপাহাৰৰ লোকসকল যিহেতু মাতৃপ্ৰধান জনজাতি সেয়েহে তেওঁলোকৰ সমাজ ব্যৱস্থাত মহিলাসকলেহে পুৰুষক বিয়া কৰায় আৰু বিবাহৰ পাছত পুৰুষজন মহিলাগৰাকীৰ পৰিয়ালৰ লগত একেলগে বসবাস কৰে। গাৰোসকলৰ এনেধৰণৰ বৈবাহিক পদ্ধতিক চাত্তৰাৰী পদ্ধতি বোলা হয়। বৰ্তমান সময়ত গাঁওখনত বিবাহৰ ক্ষেত্ৰত কিছু পৰিৱৰ্তন হোৱা দেখা গৈছিল। তেওঁলোকৰ মাতৃপ্ৰধান সমাজব্যৱস্থা হলেও বৈবাহিক পদ্ধতিত কোনো ধৰণৰ বাধা-বন্ধন নিয়ম নাই বুলিব পাৰি। তেওঁলোকৰ মাজত একেটা গোত্ৰৰ মানুহৰ মাজত বিবাহ হোৱাৰ নিয়ম নাই। অন্তৰ্বিবাহ প্ৰথাৰ পৰিবৰ্তে বহিঃবিবাহ প্ৰথাহে প্ৰচলিত হোৱা দেখা যায়। গাৰোসকলৰ মাজত কেইবা প্ৰকাৰৰ বিবাহ হোৱা দেখিবলৈ পোৱা যায়। যেনে — নোক্ৰম বিয়া, আগাতে বিয়া, খ্ৰীষ্টিয়ান বিয়া, মাচু-জোৰাই বিবাহ, অনচোৰ্ডা বিবাহ, চাদিলা বিবাহ, টুনাপা বিবাহ, বহুপত্নী বিবাহ আদি। বৰ্তমান সময়ৰ পৰিৱৰ্তনৰ লগতে গাৰোসকলৰ ৰীতি-নীতিৰ লগতে সমাজ জীৱনো কিছু পৰিমাণে পৰিৱৰ্তন হোৱা দেখা গৈছে।

## ২.০৩ ধৰ্মবিশ্বাস :—

ধৰ্ম হ'ল এক ঐশ্বৰিক শক্তিৰ ওপৰত থকা মানুহৰ বিশ্বাস। ধৰ্মৰ লগত পাপ-পুণ্য বিষয়ক ৰীতি-নীতি জড়িত হৈ থাকে। গাৰোসকলে বিয়া, জন্ম-মৃত্যু, ৰোগ, চিকিৎসা, শস্য উৎপাদন এই সকলো বোৰৰ লগত জড়িত হৈ থকা ধৰ্মীয় অনুষ্ঠানবোৰ পালন কৰি আহিছে। তেওঁলোকে অপায়-অমংগলৰ পৰা নিজকে ৰক্ষা কৰিবৰ বাবে বিভিন্ন দেৱ-দেৱতাক পূজা কৰে।

## ২.০৪. গাৰোসকল প্ৰধানকৈ খ্ৰীষ্টানধৰ্মী :

ব্ৰিটিছসকলৰ ৰাজত্বৰ আৰম্ভণিৰ লগে লগে গাৰো পাহাৰত খ্ৰীষ্টিয়ান ধৰ্ম প্ৰচলন হৈছিল। বৰ্তমান সময়ত গাৰোসকলে খ্ৰীষ্টধৰ্মক আধুনিকতাৰ প্ৰতীকৰূপে গণ্য কৰিবলৈ লৈছে। ফলত তেওঁলোকৰ সামাজিক জীৱনৰ পৰিৱৰ্তন হৈছে। শিৱসাগৰ জিলাৰ পশ্চিমবৰ্তী গাৰোসকল মূলত

HoD

P.T.O

খ্ৰীষ্টানধৰ্মী। খ্ৰীষ্টধৰ্মই অসাৰতা লাভ কৰাৰ পৰিৱৰ্তিত তেওঁলোকৰ পূৰণি নীতি-নিয়মবোৰ আয় এৰি পেলাইছে। সাঁওতালসকলে খ্ৰীষ্টানধৰ্মৰ ৰীতি-নীতি অনুসৰি ন-খোৱা, বৰদিন, গুড ফ্ৰাইডে আদি উৎসৱ পালন কৰে।

১.০৫ ন-খোৱা :—

সাধাৰণসকলৰ আয়োজন মাহত ন-খোৱা উৎসৱ গাঁৱৰ গীৰ্জা ঘৰত পতা হয়। ন-খোৱা উৎসৱৰ বাবে গাঁৱৰ ৰাইজে যিয়ে যিমান বস্তু দান-বৰঙণি হিচাপে দিয়ে সিমানে লয়। ন-খোৱাৰ অন্তত: যিখিনি বস্তু থাকি যায় সেইখিনি পাছত সকলো ৰাইজৰ মাজত বিলাই দিয়া হয়। গাঁৱৰ দুখীয়া লোক সকলক চাউল দান কৰে।

১.০৬ বৰদিন :—

বৰদিন হল যীশুখ্ৰীষ্টৰ জন্মদিৱস উপলক্ষে পালন কৰা খ্ৰীষ্টিয়ান সকলৰ এটা ধৰ্মীয় উৎসৱ। এই উৎসৱ প্ৰতিবছৰে ২৫ ডিচেম্বৰ তাৰিখে পালন কৰা হয়। সাধাৰণসকলে এই উৎসৱ আনন্দ-উলাহেৰে পালন কৰি আহিছে। এই উৎসৱৰ মৌলিকতা শান্তি, আনন্দ, প্ৰেম আৰু বিশ্ব ভাতৃত্বৰ বন্দনাৰে আৰম্ভ হয়। পশ্চিমবস্তি সাঁওতালসকলে বৰদিন উৎসৱ বহুত নীতি-নিয়মেৰে পালন কৰা হয়। সাঁওতালসকলে প্ৰতিটো গীৰ্জা ঘৰতে এই দিনটো বৰ পবিত্ৰতাৰে পালন কৰে। দিনৰ ভাগত দুপৰীয়া ১২ বজাত গীৰ্জাঘৰত প্ৰাৰ্থনা কৰাৰ নিয়ম। গীৰ্জাঘৰত উপাসনা কৰা পিছত অসুবিধাৰ প্ৰীতি ভোজ খোৱাৰ নিয়ম। প্ৰীতি ভোজ নোখোৱালৈকে কোনোৱে গাঁৱৰ মানুহৰ ঘৰলৈ যাব নোৱাৰে। ভোজৰ পিছতহে ইঘৰৰ সিঘৰলৈ বৰদিনৰ শুভেচ্ছা দিন মানি খোৱাৰ নিয়ম। এই দিনটোত ঘৰত তিলপিঠা, তেলপিঠা, নিমকি, চিৰা, সান্দহ আদি প্ৰস্তুত কৰে।

১.০৭ গুড ফ্ৰাইডে :—

গুড ফ্ৰাইডে দিনটো খ্ৰীষ্টানধৰ্মী লোকসকলৰ বাবে গুৰুত্বপূৰ্ণ দিন। এই দিনটোত ভগৱান যীশুৰ মৃত্যুদিন হিচাবে পালন কৰে। পশ্চিম বস্তি সাঁওতালসকলে এই দিনটো বৰ পবিত্ৰতাৰে পালন কৰি আহিছে।

## ১০. মাতৃপ্ৰধান পৰিয়ালত পুৰুষৰ ভূমিকা :-

গাৰোসকলৰ মাতৃপ্ৰধান সমাজব্যৱস্থাত তেওঁলোকৰ পৰিয়ালসমূহত পুৰুষৰ স্থান নাৰীতকৈ কোনো গুণে কম নহয়। যদিও তেওঁলোকৰ পৰিয়াল ব্যৱস্থাত মহিলাগৰাকীয়ে প্ৰাধান্য পায় তথাপিও ঘৰৰ সম্পূৰ্ণ দায়িত্ব পুৰুষজনেহে চোৱা-চিতা কৰে। গাঁওখনৰ বেছিসংখ্যক লোকৰ পৰিয়ালত পুৰুষজনহে ঘৰৰ মুৰব্বী হোৱা দেখা যায়।

## ১১. গাৰোসকলৰ উপাৰ্জনৰ উৎস :-

পশ্চিমবাড়ি গাৰো গাঁৱৰ লোকসকলৰ উপাৰ্জনৰ প্ৰধান উৎস হৈছে- কৃষি। গাঁওখনৰ লোকসকলৰ কিছুসংখ্যক চাহ-খেতিয়ক, ব্যৱসায়ী, মৎস্য উৎপাদন, পশুপালন আদিৰ ওপৰত নিৰ্ভৰশীল। অতি কম সংখ্যক লোকেহে চৰকাৰী চাকৰিয়াল দেখা পাইছিলো। কৃষিৰ ভিতৰত চাহ, ধানখেতি, ব্যৱসায়ীৰ - কাঠৰ ব্যৱসায়, মৎস্য ব্যৱসায়, দোকান আদি আৰু প্ৰতিঘৰতে ঘৰুৱা পশুপালন যেনে - কুকুৰা, গাহৰি, গৰু, ছাগলী আদি পালন কৰে।

## ১২. চৰকাৰী অনুদান :-

পশ্চিমবাড়ি গাৰোগাঁৱৰ লোকসকলে কিছুপৰিমাণে চৰকাৰীভাৱে অৰ্থ-সাহায্যও লাভ কৰিছে। ইন্দিৰা আবাস যোজনাৰ অধীনত আবাস গৃহ আৰু প্ৰতিঘৰতে অনাময় শৌচাগাৰ দেখিবলৈ পাইছিলো।

## ১৩. মহিলা সবলীকৰণৰ ব্যৱস্থা :-

পশ্চিমবাড়ি গাৰোগাঁৱৰ মহিলাসকলৰ আত্মনিৰ্ভৰশীলতাৰ বাবে আত্ম-সহায়ক গোট, মহিলাৰ বাবে প্ৰযোজ্য বিশেষ আঁচনি কৃষি শক্তি, শিপিনী গোট আদিৰ ব্যৱস্থা আছে আৰু এইসমূহৰ জৰিয়তে মহিলাসকলে আত্মনিৰ্ভৰশীল হোৱাৰ লগতে অৰ্থনৈতিক দিশত যথেষ্ট উপকৃত হৈছে।

HoD P.T.O

## ১৪. পাৰোসকলৰ আৰ্থিক অৱস্থা :—

অতীতৰ হাবি-বননিৰে ভৰা পশ্চিমবাঞ্জি পাবো গাঁওখনৰ বৰ্তমান যথেষ্ট পৰিৱৰ্তন ঘটিছে। জনসংখ্যা, অৰ্থনীতি, শিক্ষা আদি দিশত যথেষ্ট পৰিৱৰ্তন হৈছে। পাৰোসকলৰ আৰ্থিক অৱস্থাটো বৰ-স্বচ্ছল নহয়। পাৰো সকলৰ জীৱন যাত্ৰাৰ প্ৰধান সম্বল হৈছে-খেতি-বাতি। পশ্চিমবাঞ্জি পাৰো গাঁৱৰ প্ৰায়বিলাক লোকে কৃষিৰ লগতে চাহখেতি কৰা দেখা পাইছিলো। তাৰোপৰি চাকৰিয়াল আৰু ব্যৱসায়ী লোকো এই গাঁওখনত আছে। তেওঁ-লোকে ঘৰুৱাভাৱে গৰু, গাহৰি, কুকুৰা, ছাগলী আদি পোহে। ইয়াৰে দুই এজন লোকে মৎস্য উৎপাদন কৰিও জীৱিকা নিৰ্বাহ কৰি থকা দেখিবলৈ পাইছিলো। তেওঁলোকৰ মহিলাসকল স্বাৱলম্বী হব পৰাকৈ কৃষি শক্তি আঁচনিৰ ব্যৱস্থা আছে আৰু বিভিন্নবিলাকৰ আত্মসহায়ক গোটৰ ব্যৱস্থা থকাৰ লগতে মিচিনী গোটৰো ব্যৱস্থা আছে। এইসমূহৰ জৰিয়তে মহিলাসকল যথেষ্ট উপকৃত হৈছে। পশ্চিমবাঞ্জি গাঁওখনৰ কিছুসংখ্যক লোকে চৰকাৰী সাহায্য – পকীঘৰ, অনাময় শৌচালয়, বিদ্যুতৰ ব্যৱস্থা আৰু চৰকাৰী ৰন্ধনগেছ লাভ কৰা পৰিলক্ষিত হৈছে। কিন্তু গাঁওখনৰ সকলো লোকে এই সুবিধাসমূহ লাভ কৰা নাই। পশ্চিমবাঞ্জি পাৰোগাঁৱৰ লোকসকলে কাঠৰ ব্যৱসায়, কলঘৰ, চাহ বাগান আদি পাতি তুলি আৰ্থিক দিশত যথেষ্ট উন্নতি সাধন কৰিব পাৰিছে।

তালিকা নং – ১

| ক্ৰমিক নং | পৰিয়ালৰ উপাৰ্জনৰ উৎস |
|---|---|
| ১ | খেতি - বাতি (খেতিয়ক) |
| ২ | চাহ-খেতি |
| ৩ | কাঠৰ ব্যৱসায় |
| ৪ | দোকান |
| ৫ | পশুপালন |
| ৬ | মৎস্য উৎপাদন |

[signature] HoD

P.T.O

## ১৫ . সাৰোসকলৰ শিক্ষা ব্যৱস্থা :

আধুনিক শিক্ষাই পশ্চিমবস্তি সাৰোগাঁৱতে যথেষ্ট অবিহণা আগবঢ়াইছে। শিক্ষাৰে শিক্ষিত হৈ তেওঁলোকে জীৱন ধাৰণৰ মানদণ্ডও যথেষ্ট উন্নতি সাধন কৰিছে। শিক্ষাত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰে শিক্ষাৰ গুণগত মান বৃদ্ধি কৰাত যথেষ্ট সহায় কৰিছে। তেওঁলোকে কাঠৰ ব্যৱসায়, কলঘৰ, চাহবাগান আদি পাতি তুলি আৰ্থিক দিশত যথেষ্ট উন্নতি সাধন কৰিব পাৰিছে। শিক্ষাৰ ক্ষেত্ৰত পশ্চিমবস্তি সাৰো গাঁওখনো পিছপৰি থকা নাই। আমি তাত দুখন প্ৰাথমিক বিদ্যালয় আৰু এখন উচ্চ মাধ্যমিক বিদ্যালয় দেখিবলৈ পাইছিলো। তদুপৰি এখন জাতীয় বিদ্যালয় আৰু এখন ইংৰাজী মাধ্যমৰ বিদ্যালয় ব্যক্তিগত খণ্ডৰ শিক্ষা প্ৰতিষ্ঠান দেখিবলৈ পাইছিলো।

পশ্চিমবস্তি মধ্য ইংৰাজী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে আজৰি সময়ত বিদ্যালয়ৰ চোতালত শাক-পাচলি ৰোপণ কৰি উৎপাদন কৰা পাচলিসমূহ বিক্ৰী কৰিও কিছু পৰিমাণে আৰ্থিক উন্নয়নত সহায় কৰিছে।

নিৰ্বাচিত বিষয়টি গাঁওখনৰ কিছুসংখ্যক লোকৰ পৰা বিভিন্নবিধৰ তথ্য সংগ্ৰহৰ দ্বাৰা প্ৰস্তুত কৰা হৈছে। এই তথ্যসমূহৰ পৰা আমি বুজিব পাৰিলো যে- শিৱসাগৰ জিলাৰ পশ্চিমবস্তি সাৰো গাঁৱৰ লোকসকল আৰ্থসামাজিক দিশত কিছু কিছু ক্ষেত্ৰত দুৰ্বল হোৱা দেখা যায়। তেওঁলোক মূলত কৃষিপ্ৰধান হোৱা বাবে ৰীতি-নীতি- পৰম্পৰা আদিত সুকীয়া বৈশিষ্ট্য সৰহ পৰিলক্ষিত হৈছিল। তেওঁলোক খ্ৰীষ্টানধৰ্মী হোৱাৰ বাবে নীতি-নিয়মো খ্ৰীষ্টানধৰ্মৰ মতে মানি চলা দেখা যায়।

HoD

P.T.O

তালিকা নং — ২

| ক্ৰমিক নং | বিদ্যালয়ৰ নাম | স্থাপিত | ছাত্ৰ-ছাত্ৰীৰ সংখ্যা |
|---|---|---|---|
| ১. | নতুনমাটি আদৰ্শ প্ৰাথমিক বিদ্যালয় | ১৯৭৭ | ২১ |
| ২. | পশ্চিমবাৰীগুৰি জনজাতি মধ্য ইংৰাজী বিদ্যালয় | ১৯৭৮ | ১০৪ |

তালিকা নং — ৩

'মুখ্যমন্ত্ৰীৰ নতুন বিশেষ বৃত্তি আঁচনি' পৰীক্ষাত পশ্চিমবাৰীগুৰি জনজাতি মধ্য ইংৰাজী বিদ্যালয়ৰ পৰা সফল হোৱা ছাত্ৰ-ছাত্ৰীৰ নাম —

| ক্ৰমিক নং | ছাত্ৰ-ছাত্ৰীৰ নাম | বৰ্ষ |
|---|---|---|
| ১ | লিংজা চাংমা | ২০১২ |
| ২ | পূজা কাৰ্কী | ২০১২ |
| ৩ | গীতা আটোৱাৰ | ২০১২ |
| ৪ | প্ৰীতিন চাংমা | ২০১২ |
| ১ | নিকী তাঁতী | ২০১৩ |
| ২ | তাৰামণি ইমৰা | ২০১৩ |
| ৩ | অৰুণ চাংমা | ২০১৩ |
| ৪ | টিম্বু মিমিন | ২০১৩ |
| ৫ | প্ৰকাশ দৰ্জী | ২০১৩ |
| ১ | দীপিকা কোৱা | ২০১৪ |
| ২ | মাধুৰী তাঁতী | ২০১৪ |
| ৩ | ৰেবিনা আহমেদ | ২০১৪ |

১৫. সামৰণি :-

এখন দেশৰ আৰ্থসামাজিক প্ৰগতিত শিক্ষাই যথেষ্ট সহায় আগবঢ়ায়। সংস্কৃতি হ'ল - সমাজৰ দাপোণ। গাৱঁৰ সকলৰ আৰ্থসামাজিক দিশ, কৃষ্টি-সংস্কৃতি, পৰম্পৰা আদি বিভিন্ন দিশবোৰৰ অধ্যয়নে তেওঁলোকৰ সমাজ জীৱনৰ সকলো তথ্য গোটাবলৈ অনাতে সহায় কৰে।

পশ্চিমবৰ্তি গাৱঁৰ গাঁওখনৰ ওপৰত কৰা ক্ষেত্ৰভিত্তিক অধ্যয়নৰ পৰা জানিব পৰা গ'ল যে - বৰ্তমান গাৱঁৰ সমাজৰ আৰ্থিক দিশত যথেষ্ট পৰিৱৰ্তন হৈছে। সময়ৰ পৰিৱৰ্তনৰ লগতে গাৱঁৰ সকলৰ সমাজ জীৱনো কিছু পৰিমাণে পৰিৱৰ্তন হোৱা দেখা গৈছিল। তেওঁলোকে যিকোনো সমাজৰ লগতে সহজে সমাযোজন কৰিব পাৰে।


পশ্চিমবৰ্তি গাৱঁৰগাঁও অঞ্চললৈ ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰিবৰ বাবে গৈ যথেষ্ট ভাল লাগিল আৰু নিজে আনন্দিত হৈছিলো। গাঁওখনৰ লোকসকল নিৰ্ভু আৰু সৎ আদৰ্শবান আছিল। তেওঁলোকৰ মাজত একতা আৰু সহযোগিতা মনো দেখা পোৱা গৈছিল।

HoD

# সহায়ক গ্ৰন্থ

প্ৰিয়ংকা দিহিঙ্গীয়া : শিৱসাগৰ জিলাৰ গাৰোসকলৰ সমাজ জীৱন, পাঞ্চজন্য সম্পা. ড. হৰেন হাজৰিকা, নন্দিতা গোস্বামী, শিৱসাগৰ আঞ্চলিক সমিতি, শিৱসাগৰ অসম কলেজ শিক্ষক সংস্থা ৮ ম সংখ্যা, ২০১৭ পৃষ্ঠা নং - ৭২ - ৮১ ।

Ahpr




পশ্চিমবাৰিজুৰি পাৰো গাঁৱৰ মানচিত্ৰ ।




চিত্ৰ 1: পশ্চিমবস্তি জনজাতি মধ্য ইংৰাজী বিদ্যালয়



চিত্ৰ 2: ক্ষেত্ৰভিত্তিক অধ্যয়নৰ বাবে যোৱা এক দৃশ্য



চিত্ৰ ৩: - কলঘৰৰ দৃশ্য



চিত্ৰ ৪: - কাঠৰ ব্যৱস্থাপনৰ চিত্ৰ



চিত্ৰ ১ ঃ চাহ বাগানৰ দৃশ্য



চিত্ৰ ২ ঃ গাহৰি পালনৰ দৃশ্য



চিত্ৰ ৩ ঃ কলবাৰীৰ দৃশ্য



চিত্ৰ ৪ :— কুকুৰা আৰু গাহৰি পালনৰ দৃশ্য

# শিৱসাগৰ জিলাৰ পশ্চিমবস্তি গাৰোগাঁৱৰ আৰ্থসামাজিক সমাযোজন সম্পৰ্কে এক ক্ষেত্ৰভিত্তিক অধ্যয়ন

## ঃপ্ৰশ্নাৱলীঃ

১। নাম ঃ শ্ৰীযুত হীম মাৰাক
২। ঠিকনা ঃ পশ্চিমবস্তি গাৰো গাঁও।
৩। বয়স ঃ ৪০ বছৰ
৪। জীৱিকা ঃ কৃষি
৫। শিক্ষাগত অৰ্হতা ঃ অষ্টম শ্ৰেণী
৬। লিংগ ঃ পুৰুষ
৭। বিবাহিত/অবিবাহিত ঃ বিবাহিত
৮। পৰিয়ালৰ সদস্য সংখ্যা ঃ ৪ জন
৯। সন্তান ঃ ২ টা
(ক)ল'ৰা ঃ- ১ টা শিক্ষাগত অৰ্হতা ঃ-
(খ)ছোৱালী ঃ- ১ জনী শিক্ষাগত অৰ্হতা ঃ- চতুৰ্থ শ্ৰেণী

১০। আপোনালোকৰ পৰিয়ালৰ মুৰব্বী কোন? তেওঁৰ নাম কি?
উঃ- শ্ৰীযুত হীম মাৰাক

১১। আপোনালোকৰ সমাজ ব্যৱস্থাত মাতৃসকলে আগস্থান পায় নেকি?
উঃ- মাতৃসকলে আগস্থান পায়।

১২। মাতৃপ্ৰধান সমাজ ব্যৱস্থাত আপোনালোকৰ বৈবাহিক পদ্ধতিত কিবা ধৰা বন্ধা নিয়ম আছে নেকি?
উঃ- নাই।

১৩। মাতৃপ্ৰধান পৰিয়ালত পুৰুষসকলে সামাজিক ক্ষেত্ৰত কিবা সমস্যাৰ সন্মুখীন হয় নেকি?
উঃ- নহয়।

১৪। পৰিয়ালৰ উপাৰ্জনৰ উৎস কি?
উঃ- কৃষি, মৎস্য পালন আৰু কুকুৰা, গাহৰি আদি পোহা হয়। হয়।

১৫। পৰিয়ালত উপাৰ্জন কৰা ব্যক্তিৰ সংখ্যা কিমান?
উঃ- ১ জন।

১৬। পৰিয়ালৰ মাহিলি আয় কেনেধৰণৰ?
উঃ- সৰু চিটোপাত দিলে ১০০ টকা।

১৭। চৰকাৰী/ বেচৰকাৰী সংস্থাই আৰ্থিক দিশত সহযোগিতা আগবঢ়াইছেনে?
উঃ- চৰকাৰী আবাস গৃহ, শৌচাগাৰ আদি পোৱা হৈছে।

১৮। মহিলা আত্মনিৰ্ভৰশীলতাৰ কিবা ব্যৱস্থা আছে নেকি?
উঃ- নাই।

১৯। আত্মসহায়ক গোটৰ দ্বাৰা মহিলাসকল উপকৃত হৈছেনে?
উঃ- হৈছে।

২০। আধুনিক শিক্ষা ব্যৱস্থাৰ দ্বাৰা আপোনালোক উপকৃত হৈছেনে?
উঃ- আমেই উপকৃত হৈছো।

Prastuti Dutta
তথ্য সংগ্ৰহকাৰীৰ চহী

H Marak
তথ্য দানকাৰীৰ চহী

# শিৱসাগৰ জিলাৰ পশ্চিমবক্তি গাৰোগাঁৱৰ আৰ্থসামাজিক সমাযোজন সম্পৰ্কে এক ক্ষেত্ৰভিত্তিক অধ্যয়ন

## ঃপ্ৰশ্নাৱলীঃ

১। নাম । মাটিনা চাংমা
২। ঠিকনা । পশ্চিমবক্তি গাৰো গাঁও
৩। বয়স । ৫৭ বছৰ
৪। জীৱিকা । কৃষি
৫। শিক্ষাগত অৰ্হতা । নাই
৬। লিংগ । মহিলা
৭। বিবাহিত/অবিবাহিত । বিবাহিত
৮। পৰিয়ালৰ সদস্য সংখ্যা । ৩ জন
৯। সন্তান । ৩ টা

(ক)ল'ৰা । শিক্ষাগত অৰ্হতা ।

(খ)ছোৱালী । ৩ জনী শিক্ষাগত অৰ্হতা । দশম শ্ৰেণী

১০। আপোনালোকৰ পৰিয়ালৰ মুৰব্বী কোন?

উঃ মাটিনা চাংমা

১১। আপোনালোকৰ সমাজ ব্যৱস্থাত মাতৃসকলে আগস্থান পায় নেকি?

উঃ মহিলাসকলে আগস্থান পায়।

১২। মাতৃপ্ৰধান সমাজ ব্যৱস্থাত আপোনালোকৰ বৈবাহিক পদ্ধতিত কিবা ধৰা বন্ধা নিয়ম আছে নেকি?

উঃ বৰ্তমান সময়ত নিজৰ সুবিধা অনুযায়ী কৰা হয়। কোনো ধৰা-বন্ধা নিয়ম নাই।

১৩। মাতৃপ্ৰধান পৰিয়ালত পুৰুষসকলে সামাজিক ক্ষেত্ৰত কিবা সমস্যাৰ সন্মুখীন হয় নেকি?

উঃ নহয়।

১৪। পৰিয়ালৰ উপাৰ্জনৰ উৎস কি?

উঃ কৃষি – চাহ আৰু ধান, কুকুৰা, গাহৰি আদি পালন কৰা হয়।

১৫। পৰিয়ালত উপাৰ্জন কৰা ব্যক্তিৰ সংখ্যা কিমান?

উঃ ২ জন

১৬। পৰিয়ালৰ মাহিলি আয় কেনেধৰণৰ?

উঃ ৬,০০০

১৭। চৰকাৰী/বেচৰকাৰী সংস্থাই আৰ্থিক দিশত সহযোগিতা আগবঢ়াইছেনে?

উঃ পাইছো।

১৮। মহিলা আত্মনিৰ্ভৰশীলতাৰ কিবা ব্যৱস্থা আছে নেকি?

উঃ আছে। আত্মসহায়ক গোট।

১৯। আত্মসহায়ক গোটৰ দ্বাৰা মহিলাসকল উপকৃত হৈছেনে?

উঃ হৈছো।

২০। আধুনিক শিক্ষা ব্যৱস্থাৰ দ্বাৰা আপোনালোক উপকৃত হৈছেনে?

উঃ হৈছো

Sharbali Datta
তথ্য সংগ্ৰহকাৰীৰ চহী

তথ্য দানকাৰীৰ চহী

# শিৱসাগৰ জিলাৰ পশ্চিমবস্তি গাৰোগাঁৱৰ আৰ্থসামাজিক সমাযোজন সম্পৰ্কে এক ক্ষেত্ৰভিত্তিক অধ্যয়ন

## ঃপ্ৰশ্নাৱলীঃ

১। নাম ঃ শ্ৰীমতী নুৰু চাংমা ।
২। ঠিকনা ঃ পশ্চিমবস্তি গাৰো গাঁও ।
৩। বয়স ঃ ৮১ বছৰ
৪। জীৱিকা ঃ অৱসৰপ্ৰাপ্ত নাৰ্ছ
৫। শিক্ষাগত অৰ্হতা ঃ উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ
৬। লিংগ ঃ মহিলা ।
৭। বিবাহিত/অবিবাহিত ঃ বিবাহিত ।
৮। পৰিয়ালৰ সদস্য সংখ্যা ঃ ৫ জন
৯। সন্তান ঃ ৩ টা
(ক)ল'ৰা ঃ- ২ টা শিক্ষাগত অৰ্হতা ঃ- উচ্চতৰ মাধ্যমিক / হাইস্কুল উত্তীৰ্ণ
(খ)ছোৱালী ঃ- ১ জনী শিক্ষাগত অৰ্হতা ঃ- স্নাতক ডিগ্ৰীধাৰী

১০। আপোনালোকৰ পৰিয়ালৰ মুৰব্বী কোন?
উঃ- নুৰু চাংমা

১১। আপোনালোকৰ সমাজ ব্যৱস্থাত মাতৃসকলে আগস্থান পায় নেকি?
উঃ- আমাৰ সমাজব্যৱস্থা মূলতঃ মাতৃপ্ৰধান । সেয়ে মাতৃসকলেহে আগস্থান পায় ।

১২। মাতৃপ্ৰধান সমাজ ব্যৱস্থাত আপোনালোকৰ বৈবাহিক পদ্ধতিত কিবা ধৰা বন্ধা নিয়ম আছে নেকি?
উঃ- তেনেকুৱাধৰ কোনো ধৰাবন্ধা নিয়ম নাই বুলিব পাৰি । চাওৰাঙী পাত্ৰতৰে বিয়া পতা হয় ।

১৩। মাতৃপ্ৰধান পৰিয়ালত পুৰুষসকলে সামাজিক ক্ষেত্ৰত কিবা সমস্যাৰ সন্মুখীন হয় নেকি?
উঃ- নহয় ।

১৪। পৰিয়ালৰ উপাৰ্জনৰ উৎস কি?
উঃ- কাঠৰ ব্যৱসায়, কৃষি আৰু চৰকাৰী চাকৰি ।

১৫। পৰিয়ালত উপাৰ্জন কৰা ব্যক্তিৰ সংখ্যা কিমান?
উঃ- ৩ জন

১৬। পৰিয়ালৰ মাহিলি আয় কেনেধৰণৰ?
উঃ- ৫0,000 ৰ পৰা 1,00,000 ৰ ভিতৰত ।

১৭। চৰকাৰী/বেচৰকাৰী সংস্থাই আৰ্থিক দিশত সহযোগিতা আগবঢ়াইছেনে?
উঃ- প্ৰয়োজন হোৱা নাই ।

১৮। মহিলা আত্মনিৰ্ভৰশীলতাৰ কিবা ব্যৱস্থা আছে নেকি?
উঃ- আছে । আত্মসহায়ক গোট আৰু কিষাণী গোট আৰু কৃষি শক্তি আদিৰ জৰিয়তে ব্যৱস্থা আছে ।

১৯। আত্মসহায়ক গোটৰ দ্বাৰা মহিলাসকল উপকৃত হৈছেনে?
উঃ- আমাই উপকৃত হৈছো ।

২০। আধুনিক শিক্ষা ব্যৱস্থাৰ দ্বাৰা আপোনালোক উপকৃত হৈছেনে?
উঃ- নিশ্চয়, হৈছো ।

Phastuti Dutta
তথ্য সংগ্ৰহকাৰীৰ চহী

Nuru Sangma
তথ্য দানকাৰীৰ চহী